**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-02-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

---

সোণোৱাল-কছাৰী সাহিত্য সভাৰ পূৰ্ণাংগ দ্বি-বাৰ্ষিক অধিৱেশন কালিৰে পৰা অনুষ্ঠিত হৈছে। ধেমাজিৰ জিয়াঢল আমোলগুৰি ভোগালী সমন্বয় ক্ষেত্ৰত আয়োজিত এই অধিৱেশনত ৰাজ্যৰ ১৩ খন জিলাৰ প্ৰতিনিধি আৰু অৰুণাচল প্ৰদেশৰ দুখন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অধিৱেশনৰ কালি প্ৰথম দিনা ভোগালী সমন্বয় ক্ষেত্ৰ আৰু মূল তোৰণ উন্মোচন আৰু সভাৰ মূল পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, গছপুলি ৰোপণ, সোণোৱাল-কছাৰীসকলৰ পৰম্পৰাগত গৃহ উদ্বোধন আদি কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে পৰম্পৰাগত খাদ্যমেলা, প্ৰদৰ্শনী, বাণিজ্য মেলা, প্ৰতিনিধি শিবিৰ উদ্বোধন আৰু আলোচনা চক্ৰ আদিও অনুষ্ঠিত হয়।

oooooo

আহোম ৰাজত্বৰ কীৰ্তি চিহ্নসমূহ সংৰক্ষণ কৰিবলৈ ৰাজ্য চৰকাৰক গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশ দিছে। এটা নিজাববীয়া গোচৰৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণই আৰু ন্যায়াধীশ সুমন শ্যামৰ খণ্ড বিচাৰপীঠে এই নিৰ্দেশ দিয়ে। অহা ছমাহৰ ভিতৰত পুৰাতত্ব সমল, সত্যতা আৰু বিশুদ্ধতাৰ ভিত্তিত আহোম ৰাজত্বকালৰ কীৰ্তি চিহ্নসমূহক সংৰক্ষণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ খণ্ড বিচাৰপীঠে স্পষ্ট কৰি দিছে। উল্লেখযোগ্য যে, ২০২৪ বৰ্ষৰ তিনি এপ্ৰিলত ন্যায়ালয়ে ৰাজ্য চৰকাৰক এই কীৰ্তি চিহ্নসমূহ সংৰক্ষণৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছিল। সেই অনুসৰি পুৰাতত্ব সঞ্চালকে বিগত বৰ্ষৰ ২৯ আগষ্টত ঐতিহাসিক কীৰ্তি চিহ্নসমূহ চিনাক্ত কৰাৰ বাবে জৰীপ চলি আছে বুলি শপতনামা দাখিল কৰিছিল। ইয়াৰ ভিত্তিতেই উচ্চ ন্যায়ালয়ে ছমাহৰ ভিতৰত এই জৰীপ প্ৰক্ৰিয়া সম্পন্ন কৰি কীৰ্তি চিহ্নসমূহ সংৰক্ষণ কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়ে।

oooooo

সমাগত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা সন্দৰ্ভত আলোচনা কৰাৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ  এটা প্ৰতিনিধি দলে কালি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধ্যক্ষ আৰু উপাধ্যক্ষক সাক্ষাৎ কৰে। এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৰাজ্যখনৰ মুঠ ৪ লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা, বিজ্ঞান আৰু বাণিজ্য এই তিনিওটা  শাখাত সৰ্বমুঠ ৩ লাখ ছহেজাৰ ৮৪১ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। এই দুয়োটা পৰীক্ষা নিয়াৰিকৈ পৰিচালনা কৰিবলৈ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ কৰ্তৃপক্ষক সদৌ অসম ছাত্ৰ সন্থাই আহ্বান জনায়। একেদৰে পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ ক্ষেত্ৰতো পৰিষদৰ গ্ৰহণযোগ্যতা আৰু বিশ্বাসযোগ্যতা অটুত ৰাখিবলৈ ছাত্ৰ সংগঠনটোৱে বিদ্যালয় শিক্ষা পৰিষদ কৰ্তৃপক্ষক আহ্বান জনায়।

oooooo

অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুতি চলাই আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই শীৰ্ষ সন্মিলনৰ পৰিপ্ৰেক্ষিতত কালি

দিল্লীত টাটা গ্ৰুপৰ অধ্যক্ষ নটৰাজন চন্দ্ৰশেখৰনক সাক্ষাৎ কৰে। এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে অধ্যক্ষগৰাকীৰ সৈতে জাগীৰোডৰ চেমিকণ্ডাক্টৰ প্ৰকল্পকে ধৰি অনাগত সময়ত অসমত টাটা গ্ৰুপৰ বিনিয়োগ সন্দৰ্ভত আলোচনা কৰে। ড০ শৰ্মাই লগতে শ্ৰী চন্দ্ৰশেখৰনক বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলনলৈ আমন্ত্ৰণ জনায়। উল্লেখযোগ্য যে পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এডভাণ্টেজ আছাম সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই এই সন্মিলন ভৱিষ্যত অসমৰ অৰ্থনৈতিক উন্নয়নৰ মাইলৰ খুঁটি হ'ব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০

যোৰহাট ম'হবন্ধা এৰালতলী পথাৰত বৈষ্ণৱ পণ্ডিত সোনাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত চলি থকা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিবেশনৰ আজি তৃতীয় দিনা নাম-প্ৰসংগ, মুকলি সভা, সাংস্কৃতিক শোভাযাত্ৰা আদিকে ধৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। কালি দ্বিতীয় দিনা বিয়লি কৃষিমন্ত্ৰী অতুল বৰা আৰু বিত্তমন্ত্ৰী অজন্তা নেওগে ভাগ লয়। দুয়োগৰাকী মন্ত্ৰীয়ে সংঘৰ মূল সমিতি তথা অধিবেশনখনৰ আদৰণি সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে বাৰ্তালাপ কৰি অধিবেশনৰ বিস্তৃত খা-খবৰ লৈ ৰাইজৰ সহযোগত এই অধিবেশন সাফল্যমণ্ডিত হব বুলি মত পোষণ কৰে।

০০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত লন বলত কালি অসমে তিনিটা পদক নিশ্চিত কৰিছে। নয়নমণি শইকীয়া আৰু বন্দিতা হাজৰিকাৰ মহিলাৰ ডাবলচ যুটীৰ লগতে পুৰুষৰ ছিংগলছত পুতুল সোণোৱাল তথা মেন ফৰ্চত বিতোপন ৰাভা, অমল টেৰণ, বিমান নাথ আৰু বিশ্বনাথ খাওন্দে চেমিফাইনেলত প্ৰৱেশ কৰিছে। আজি ৰাষ্ট্ৰীয় ক্ৰীড়াত দেশৰ দ্ৰুত মানৱ অম্লান বৰগোহাইয়ে অভিযান আৰম্ভ কৰিব। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে, অলিম্পিক পদক বিজেতা বক্সাৰ লাভলীনা বৰগোহাই আৰু উদীয়মান বক্সাৰ অংকুশিতা বড়োৱে নিজ নিজ শিতানত স্বৰ্ণ পদক অৰ্জন কৰিছে। লাভলীনাই কালি ৭৫ কিলোগ্ৰাম শাখাৰ ফাইনেলত চণ্ডিগড়ৰ প্ৰানচু ৰাথোৰক ৫-০ ফলাফলত পৰাজিত কৰে। অংকুশিতাই ৬৬ কিলোগ্ৰাম শাখাত উত্তৰাখণ্ডৰ কাজলক ৫-০ ব্যৱধানত পৰাস্ত কৰে। এইবাৰৰ ক্ৰীড়া সমাৰোহত অসমে এতিয়ালৈকে দুটা সোণৰ পদক অৰ্জন কৰিছে। লগতে তাৰকা বক্সাৰ শিৱ থাপা আৰু অভিনৱ শইকীয়াই ৰূপৰ পদক লাভ কৰিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ইতিহাসত নতুন অভিলেখ গঢ়ি পোন প্ৰথমবাৰৰ বাবে অসমৰ ৪ গৰাকী বক্সাৰে ফাইনেলত প্ৰৱেশ কৰিছিল। ইপিনে মহিলাৰ একক আৰ্ছাৰীত টুটুমণি বড়ো আৰু আৰ্ছাৰী মিক্সড টীম শাখাত অসম দলে ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০০০

সমাপ্ত